# কঠীয়াতলীৰ পৰিচৰ্যা

www.rkbassam.in

মুল পথাৰত ৰোবাৰ আগতে কঠীয়াতলীত এক নিৰ্দিষ্ট সময়ৰ কাৰণে কঠীয়াখিনি ৰখা হয়। ৰোপণযোগ্য কঠীয়াৰ বয়স জাতটোৰ কৃষিকাল, কৃষকৰ হাতত থকা সমল, জলবায়ু, ৰোপণ পদ্ধতি আদিৰ ওপৰত নিৰ্ভৰ কৰে। বেছি পোখা মেলিবলৈ হ'লে আৰু উৎপাদন বেছি পাবলৈ হ'লে কঠীয়া কম বয়সীয়া ল'ব লাগে।

**কঠীয়াতলীৰ প্ৰকাৰ ঃ**

**বোকা কঠীয়াতলী ঃ**

- জলসিঞ্চন তথা জলনিষ্কাশণৰ ব্যৱস্থাপনা থকা মাটিত প্ৰযোজ্য।
- যিমান মাটি ৰুব তাৰ দহ ভাগৰ এভাগ মাটিত কঠীয়া পাৰিব লাগে।
- বীজৰ পৰিমাণ - প্ৰতি হেক্টৰত ৪০ — ৪৫ কিঃগ্ৰাঃ ( প্ৰতি বিঘাত ৫ কিঃগ্ৰাঃ ) ।
- কৃষিকালৰ ওপৰত নিৰ্ভৰ কৰি২১-৩০ দিনীয়া কঠীয়া ৰোবাৰ বাবে উপযোগী।



**শুকান কঠীয়াতলী ঃ**

- পানী জমা নহ'বৰ বাবে কঠীয়াতলীখন ওখকৈ প্ৰস্তুত কৰিব লাগে।
- কঠীয়াতলীখন 10 মিঃ দীঘল ১২৫ছে মিঃ বহল আৰু ১৫ ছেমিঃ ওখকৈ প্ৰস্তুত কৰি ল'ব লাগে।
- যিমান মাটি ৰুব তাৰ দহ ভাগৰ এভাগ মাটিত কঠীয়া পাৰিব লাগে ।
- এক হেক্টৰ মাটিৰ বাবে প্ৰয়োজন হোৱা বীজৰ পৰিমাণ ৪০-৪৫ কিঃগ্ৰাঃ(প্ৰতি বিঘাত 5 কিঃগ্ৰাঃ) ।
- কৃষিকালৰ ওপৰত নিৰ্ভৰ কৰি ২১-৩০ দিনীয়া কঠীয়া ৰোবাৰ বাবে উপযোগী।



**দলিচা বা মেট কঠীয়াতলী ঃ**

- পানীৰ সুবিধা থকা সমতল ভূমিত কঠীয়াতলীখন প্ৰস্তুত কৰিব লাগে।
- এক হেক্টৰ মাটি ৰোপণ কৰিবলৈ প্ৰায় ৭০ বৰ্গমিটাৰৰ কঠীয়াতলী লাগে বা ৰোপণ কৰিবলগীয়া মাটিৰ ১ শতাংশ কঠীয়াতলীৰ প্ৰয়োজন হয়।
- প্ৰতি হেক্টৰ মাটি ৰোপণৰ বাবে বীজৰ পৰিমাণ উচ্চ উৎপাদনক্ষম জাতৰ ক্ষেত্ৰত 40-50 কিঃগ্ৰাঃ আৰু বৰ্ণসংকৰ জাতৰ ক্ষেত্ৰত ১০-১৫ কিঃগ্ৰাঃ বীজৰ দৰকাৰ হয় ।
- ১৪-২১ দিনৰ কঠীয়া ৰোপণৰ বাবে উপযোগী।



**যান্ত্ৰিকভাৱে ৰোপণৰ বাবে প্ৰস্তুত কৰা কঠীয়াতলী ঃ**

- মাটিৰ ভেটি এটা প্ৰস্তুত কৰি জালিকটা পলিথিন এখনত(১.৫ মি. x ২০ মি.) বা প্লাষ্টিকৰ থালি [৩০ ছে মি. x ৬০ ছে মি.)ৰ ওপৰত প্ৰতি ৪ ভাগ মাটিৰ লগত ১ ভাগ পচনসাৰ মিহলাই ১-২ ছেঃ মিঃ ওখ এটা তৰপ প্ৰস্তুত কৰিব লাগে।
- প্ৰতি হেক্টৰ মাটি ৰোপণৰ বাবে প্ৰয়োজনীয় কঠীয়াতলীখন ৭৫-৮০ বৰ্গমিটাৰ হব লাগে
- প্ৰতি হেক্টৰ মাটি ৰোপণৰ বাবে বীজৰ পৰিমাণ Áó২৫-৩০ কিঃগ্ৰাঃ ।
- ২-৩ পতীয়া ১৮-২০ ছেঃমিঃ ওখ সবল বা ১৪-১৮ দিনীয়া কঠীয়া ৰোবাৰ বাবে উপযোগী।



**কঠীয়াতলীত লব লগা যত্ন ঃ**

- কঠীয়াতলীখন জলসিঞ্চন উৎসৰ ওচৰত হোৱা উচিত।
- কঠীয়াতলীখন ভালদৰে হাল বাহি মৈয়াই অপতৃণমুক্ত কৰি ৰাখিব লাগে।
- উচ্চ উৎপাদনক্ষম / বৰ্ণসংকৰ জাতৰ সুবীজ ব্যৱহাৰ কৰিব লাগে।
- কঠীয়াতলীত অংকুৰিত বীজ সিঁচিব। বীজবোৰ ১০-১২ ঘণ্টা তিঁয়াই, অতিৰিক্ত পানীভাগ নিগৰাই ছাঁ পৰা ঠাইত সিঁচাৰ আগতে গাপ দি থ'ব লাগে।
- প্ৰতি কিঃ গ্ৰাঃ বীজৰ বাবে ২.৫ গ্ৰাম কাৰ্বেণ্ডাজিম / কেপটান / মেংক'জেব ঔষধ মিহলাই শোধন কৰি ল'ব লাগে।
- কঠীয়া উপযুক্ত বয়সত ৰোপণ কৰা উচিত। হাতেৰে ৰুলে ২০-২৫ দিনীয়া কঠীয়া আৰু ৰোৱনী যন্ত্ৰৰে ৰুলে ১৫-১৮ দিনীয়া কঠীয়া ৰুবৰ বাবে উপযুক্ত।

*Rice Fact Sheet*

Assam Agribusiness and Rural Transformation Project (APART)

The World Bank is the funding agency of APART
Department of Agriculture, Assam is the nodal department for implementation of APART
ARIAS Society is the State level coordinating and monitoring agency for APART
Assam Agricultural University is the leading Agricultural University of the State and implementing agency of APART, imparting research and scientific support.
International Rice Research Institute (IRRI) is the rice global leader providing technical and hand-holding support in the implementation of APART

The opinions expressed in this publication are those of the authors. They do not purport to reflect the opinions or views of the IRRI. *Attribution – Non Commercial-ShareAlike 3.0 (Unported)*